# ঃগুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজ্যিক পৰ্যায়ৰ প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন ঃ

## ঃগুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সভাপতিৰ অধীনৰ বিশেষ কাৰ্যসূচীঃ

গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সভাপতিৰ অধীনৰ বিশেষ কাৰ্যসূচী অনুসৰি এখনি ৰাজ্যিক পৰ্যায়ৰ প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰিবলৈ লোৱা হৈছে। প্ৰতিযোগিতাৰ বিষয় "অসমৰ সাম্প্ৰতিক সমস্যা আৰু ইয়াৰ সমাধান সূত্ৰ" (Burning Problems of Assam & their solution) প্ৰতিযোগিতাৰ শ্ৰেষ্ঠসকলক আগন্তুক আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত নগদ ধন আৰু প্ৰমাণ পত্ৰৰে পুৰস্কৃত কৰা হ'ব। প্ৰতিযোগিতাৰ নিয়মাৱলীসমূহ তলত উল্লেখ কৰা হ'ল—

**নিয়মাৱলী ঃ**

১। স্নাতক পৰ্য্যায়ৰ পৰা স্নাতকোত্তৰ পৰ্য্যায়লৈ অসমৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাত ভাগ ল'ব পাৰিব।

২। মাধ্যম অসমীয়া আৰু ইংৰাজী, শব্দৰ পৰিসীমা ৩০০০।

৩। প্ৰতিযোগীয়ে অসমৰ এটা বা ততোধিক সমস্যাৰ ওপৰত লিখিব পাৰিব। কিন্তু এটাতকৈ বেছি বিষয়ৰ ওপৰত লিখিবলৈ প্ৰতিযোগীৰ নাম, ঠিকনা বা যাৱতীয় প্ৰমাণ পত্ৰ গাঠি বেলেগকৈ পঠিয়াব লাগিব। অৰ্থাৎ এজন প্ৰতিযোগীয়ে প্ৰতিযোগিতাত একাধিক অংশগ্ৰহণ সম্ভৱ।

৪। প্ৰথম তিনিগৰাকীক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব আৰু লগতে প্ৰথম দহগৰাকীক প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব।

৫। শ্ৰেষ্ঠ তিনিজনৰ ভিতৰত নিৰ্বাচিত নহ'লেও কোনোৱে যদি এক বা তাতোধিক সমস্যাৰ বিজ্ঞানসন্মত সমাধান সূত্ৰসহ প্ৰবন্ধ জমা দিয়ে, তেন্তে তেওঁৰ উক্ত বিষয় (Points)বোৰ কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰ বা সংশ্লিষ্ট কৰ্তৃপক্ষলৈ প্ৰতিযোগিৰ নাম কাষত লিখি পঠিওৱাৰ ব্যৱস্থা কৰা হ'ব।

৬। প্ৰতিযোগীতাৰ বাবে ফটো চিত্ৰ (Diagram/Photograph) সৰ্বাধিক পাচখনলৈ পঠিয়াব পাৰিব।

৭। প্ৰতিযোগীয়ে ব্যৱহাৰ কৰা প্ৰসংগপুথি/উৎস (Reference) স্পষ্টকৈ উল্লেখ কৰিব লাগিব।

৮। নিজৰ লেখাটোৰ বাবে প্ৰতিযোগীয়ে স্বঘোষিত প্ৰমাণ পত্ৰ এখন Gauhati University ৰ web-Pageৰ পৰা সংগ্ৰহ কৰি প্ৰবন্ধ প্ৰতিযোগিতাৰ বাবে পঠিওৱা প্ৰবন্ধৰ সৈতে গাঠি দিব লাগিব।

৯। প্ৰতিযোগিয়ে A4-size পেপাৰৰ এপিঠিত ইংৰাজীত হ'লে Font Size-12, Fonts Style-Times New Roman, Line Space-1.5 আৰু Heading Font size 16 তথা অসমীয়াত হ'লে Font Size-14, Fonts Style- Geetanjalilight, Line Space-1.5 আৰু Heading Font size-16 ধৰণে ডি. টি.পি. কৰি পঠিয়াব লাগিব।

১০। প্ৰবন্ধৰ লগত নিজৰ শিক্ষানুষ্ঠানৰ পৰা পোৱা পৰিচয় পত্ৰ (I-card)ৰ ফটোকপি বা I-card নাথাকিলে নিজৰ শিক্ষানুষ্ঠানৰ মুৰব্বীৰ পৰা আপুনি সেই শিক্ষানুষ্ঠানৰ ছাত্ৰ/ছাত্ৰী হোৱাৰ প্ৰমাণ পত্ৰ স্বাক্ষৰ-মোহৰ সহ গাঠি দিব লাগিব।

১১। ফলাফল তথা আপোনাৰ সমাধান সূত্ৰ চৰকাৰলৈ পঠোৱা /নপঠোৱাৰ সম্পূৰ্ণ ক্ষমতা আয়োজকৰ হাতত।

১২। প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে কোনো ধৰণৰ ভৰ্তিমাচুল নালাগে।

১৩। ফলাফল ঘোষণা কৰাৰ আগত বা পিছত কোনো প্ৰতিযোগিয়ে Plagiarisms ৰ লগত জড়িত হোৱাৰ কোনো প্ৰমাণ পোৱা হ'লে আয়োজক দায়ী নহ'ব।

১৪। লেখাসমূহ অহা ২৫ এপ্ৰিলৰ পূৰ্বে তলৰ ঠিকনাত পঠিয়াব লাগিব আৰু কোনো লেখা ঘূৰাই পঠিওৱা নহ'ব।

ঠিকনা ঃ মানৱজ্যোতি কলিতা

সভাপতি,

স্নাতকোত্তৰ ছাত্ৰ সন্থা, ২০১৫-১৬

গুৱাহাটী বিশ্ববিদ্যালয়

পিন ঃ ৭৮১০১৪

জিলা ঃ কামৰূপ (অসম)

Email: kalitamanabzoo@gmail.com

ফোন নং—৯৮৫৪৩৪১৮২০/৯৫০৮৬৩৮৩৮৩